# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-01-2025
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
# *Headlines*

০০০০০০০

১। পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ পূৰ্বে অনুমতি নিদিয়া ৫ খন জিলাত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায় প্ৰদান।

২। অসমত বিনিয়োগৰ সুচল পৰিৱেশ সৃষ্টি হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ জাপানৰ দুগৰাকী মন্ত্ৰী আৰু উদ্যোগ প্ৰতিষ্ঠানৰ প্ৰতিনিধিক সাক্ষাৎকালত প্ৰকাশ।

৩। নেতাজী সুভাষ চন্দ্ৰ বসুৰ জয়ন্তী উপলক্ষে সমগ্ৰ দেশত পৰাক্ৰম দিৱস পালন। অসমতো বিস্তৃত কাৰ্যসূচী গ্ৰহণ।

৪। কোকৰাঝাৰত ৰাজ্যৰ প্ৰাক্তন মন্ত্ৰী ৰূপনাথ ব্ৰহ্মৰ ৫৮ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান।

**আৰু**

৫। গুৱাহাটীৰ চানমাৰিত অনুষ্ঠিত চতুৰ্দশ পূব হিমালয়ান বাণিজ্য মেলাত আজি ভাৰতীয় আয়কৰ বিভাগৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰধান মুখ্য আয়ুক্ত নৱ ৰতন ছোনীয়ে এটা কৰদাতা কক্ষ উদ্বোধন।

০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে পূৰ্বে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰা সন্দৰ্ভত ৰায় স্থগিত ৰখা ৫ খন জিলাতো এই নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে অনুমতি দিছে। ন্যায়ালয়ৰ এখন খণ্ড বিচাৰপীঠে আজি এটা গুৰুত্বপূৰ্ণ ৰায়যোগে ৰাজ্যখনৰ এই ৫ খন জিলাত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ অনুমতি দিয়ে। খণ্ড বিচাৰপীঠে পূৰ্বৰ এজনীয়া বিচাৰপীঠৰ নিৰ্দেশত স্থগিতাদেশ জাৰি কৰাৰ পৰিপ্ৰেক্ষিতত সকলো পঞ্চায়তত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ বাট মুকলি হৈ পৰে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে উচ্চ ন্যায়ালয়ৰ এজনীয়া বিচাৰপীঠে ৯ খন লেখ আবেদনৰ গোচৰ থকা পঞ্চায়তসমূহত নিৰ্বাচন অনুষ্ঠিত কৰাত স্থগিতাদেশ জাৰি কৰি বাকী পঞ্চায়তসমূহত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ চৰকাৰক অনুমতি দিছে। পাছত এই স্থগিতাদেশক প্ৰত্যাহ্বান জনাই ৰাজ্য চৰকাৰে উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠত এখন আবেদন দাখিল কৰে। চৰকাৰৰ এই আবেদনৰ শুনানি লৈ আজি উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে এজনীয়া বিচাৰপীঠৰ নিৰ্দেশনাত স্থগিতাদেশ জাৰি কৰে। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ে যোৱা ১২ জানুৱাৰীত ৰাজ্যৰ ৫ খন জিলাৰ বিবদমান ৯ খন পঞ্চায়ত বাদ দি বাকী

পঞ্চায়তসমূহত শীঘ্ৰে নিৰ্বাচন অনুষ্ঠিত কৰাৰ ৰায় দিছিল। ইয়াৰ পূৰ্বে ১০ জানুৱাৰীত বিষয়টো সন্দৰ্ভত শুনানি গ্ৰহণ কৰা হৈছিল যদিও ন্যায়ালয় ৰায়দানৰ পৰা বিৰত আছিল।

ন্যায়ালয়ে অহা ৬ ফেব্ৰুৱাৰীত গোচৰসমূহৰ পৰৱৰ্তী শুনানীৰ দিন ধাৰ্য কৰিছে। গোচৰীয়া পক্ষৰ অধিবক্তা এ কে তালুকদাৰে সংবাদমাধ্যমৰ আগত জনোৱা অনুসৰি পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'লেও ইতিমধ্যে নিৰ্বাচনক লৈ ৰুজু হোৱা গোচৰসমূহৰ শুনানি উচ্চ ন্যায়ালয়ৰ মজিয়াত চলি থাকিব। এই সন্দৰ্ভত গোচৰীয়া পক্ষৰ অধিবক্তা এ কে তালুকদাৰে এইদৰে কয়---

**বাইট (এ কে তালুকদাৰ)**

০০০০০০

জাপান ভ্ৰমণৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দেশখনৰ ন্যায় বিভাগৰ ৰাজ্যমন্ত্ৰী কোমুৰা মাছাহিৰোক সাক্ষাৎ কৰি জাপানৰ কোম্পানীসমূহৰ বাবে অসমত বিনিয়োগৰ সুচল পৰিৱেশ সৃষ্টিৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে জাপানৰ মন্ত্ৰীগৰাকীক অসম চৰকাৰে দেশখনৰ কোম্পানীসমূহৰ বাবে এখন ঔদ্যোগিক উদ্যান স্থাপনৰ পৰিকল্পনা লৈছে বুলি অৱগত কৰে। তদুপৰি অসমৰ প্ৰতিভাৱান আৰু দক্ষতাসম্পন্ন যুৱক-যুৱতীয়ে জাপানত কৰ্মচাৰীৰ চাহিদা পূৰণ কৰাত কেনেদৰে সহায় কৰিব এই বিষয়ে মুখ্যমন্ত্ৰীয়ে মন্ত্ৰীগৰাকীৰ সৈতে আলোচনা কৰে। এই আলোচনা কালত ভাৰত আৰু জাপানৰ মূল্যবোধ, ৰীতি-নীতি আৰু গৌতম বুদ্ধৰ আদৰ্শৰাজিয়ে কিদৰে দুয়ো দেশৰ মাজত আধ্যাত্মিক সেতু গঢ়ি তুলিছে সেই বিষয়সমূহে স্থান লাভ কৰে। মুখ্যমন্ত্ৰীয়ে আজি দেশখনৰ ভূমি, আন্তঃগাঁথনি, পৰিবহন আৰু পৰ্যটন বিভাগৰ ৰাজ্যমন্ত্ৰী ফুৰুকাৱা য়াছুছিৰ সৈতেও বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই অসমত পৰ্যটনৰ সম্ভাৱনা আৰু বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে চৰাইদেউ মৈদামে স্বীকৃতি লাভ কৰাকে ধৰি কেইবাটাও বিষয় লৈ আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে আজি জাপানৰ খাদ্য প্ৰসংস্কৰণ কোম্পানী কামেদা ছেইকাৰ মুখ্য কাৰ্যবাহী বিষয়া শ্ৰীলেখ ৰাজ জুনেজাৰ সৈতেও আলোচনাত মিলিত হৈ তেওঁক অসমৰ সমৃদ্ধিশালী খাদ্য প্ৰসংস্কৰণ খণ্ডত বিনিয়োগৰ বাবে আহ্বান জনায়। তেওঁ কয় যে অসমত উদ্যোগৰ বাবে সৃষ্টি হোৱা অনুকূল পৰিৱেশৰ বাবে বৃহৎ কোম্পানীসমূহে নিজৰ কাৰ্যপন্থা সুচলভাৱে আগবঢ়াই নিবলৈ সমৰ্থ হৈছে। মুখ্যমন্ত্ৰীয়ে শ্ৰীজুনেজাক শেহতীয়াকৈ প্ৰবাসী ভাৰতীয় সন্মান বঁটা ২০২৫ লাভ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে আজি হিৰোছিমাত জাতিৰ পিতা মহাত্মা গান্ধীৰ আৱক্ষ প্ৰতিমূৰ্তিত শ্ৰদ্ধা তৰ্পন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৩ চনত এই প্ৰতিমূৰ্তিটো আনুষ্ঠানিকভাৱে উন্মোচন কৰিছিল।

উল্লেখযোগ্য যে কালি মুখ্যমন্ত্ৰীগৰাকীয়ে টকিঅ'ত জাপানৰ কমেও ১৬০ গৰাকী বিশিষ্ট ব্যৱসায়ীক সাক্ষাৎ কৰি বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ তেওঁলোকক আমন্ত্ৰণ জনায়। সাক্ষাৎকালত অসমৰ অৰ্থনৈতিক সাফল্য আৰু ব্যৱসায়িক সুচলতাৰ বিষয়ে উল্লেখ কৰি ড° শৰ্মাই ভাৰত আৰু জাপানৰ মাজৰ অৰ্থনৈতিক সম্পৰ্কক নতুন শিখৰলৈ লৈ যোৱাৰ ক্ষেত্ৰত অসমৰ ক্ৰমবৰ্ধিত ভূমিকাৰ ওপৰত আলোকপাত কৰে। ইয়াৰ আগেয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে দক্ষিণ আফ্ৰিকাও ভ্ৰমণ কৰি দেশখনৰ কেইবাগৰাকীও শীৰ্ষ নেতাক সাক্ষাৎ কৰে।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত প্ৰতি বছৰৰ দৰে এইবাৰো নিয়মীয়া নিয়ন্ত্ৰিত বনভূমি দাহ প্ৰক্ৰিয়া আৰম্ভ হৈছে। উদ্যানখনত প্ৰতি বছৰে জানুৱাৰী-ফেব্ৰুৱাৰী মাহত কণ্ট্ৰোল্ড বাৰ্ণিং অৰ্থাৎ নিয়ন্ত্ৰিতভাৱে বনভূমিৰ কিছু অংশ দাহ কৰা হয়। তৃণভোজী বন্যপ্ৰাণীৰ বাবে খাদ্য হিচাপে নতুনকৈ গজি উঠা কোমল ঘাঁহ-বনৰ প্ৰয়োজন হোৱা হেতুকে ওখ আৰু খাদ্যৰ অনুপযোগী ঘাঁহ-বনসমূহ উদ্যান কৰ্তৃপক্ষই বিশেষ পদ্ধতিৰে জ্বলাই দিয়াৰ ব্যৱস্থা কৰে। বন্যপ্ৰাণীসমূহৰ অসুবিধা নোহোৱাকৈ প্ৰতি বছৰে উদ্যানখনৰ অংশবিশেষত এনেদৰে দাহ কাৰ্য কৰা হয়।

০০০০০০০

নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৮ সংখ্যক জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি সমগ্ৰ দেশত আজি পৰাক্ৰম দিৱস পালন কৰা হৈছে। ৰাজ্যৰ বিভিন্ন স্থানতো নেতাজীক স্মৰণৰ বাবে কাৰ্যসূচী অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই জন্মবাৰ্ষিকীত নেতাগৰাকীক স্মৰণ কৰি দিয়া এটা বাৰ্তাত নেতাজীৰ জীৱন আৰু আদৰ্শই প্ৰতিগৰাকী ভাৰতীয়ক ৰাষ্ট্ৰসেৱাত উৎসৰ্গিত হ'বলৈ অনুপ্ৰাণিত কৰে বুলি মন্তব্য কৰে। জাপান ভ্ৰমণৰত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে জাপানতে নেতাজীয়ে আজাদ-হিন্দ-ফৌজৰ বীজ ৰোপণ কৰিছিল। ব্ৰিটিছ্ শাসকৰ দমনকাৰী নীতিৰ সাহসেৰে প্ৰত্যুত্তৰ দিয়া নেতাজীৰ বীৰত্বক চিৰদিন ভাৰতবাসীয়ে স্মৰণ কৰিব বুলি তেওঁ উল্লেখ কৰে। জাপানত থকা ভাৰতীয় দুতাবাসত নেতাজীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাবে আয়োজিত এটা অনুষ্ঠানতো তেওঁ অংশ লয়।

কোকৰাঝৰৰ পি এম শ্ৰী কেন্দ্ৰীয় বিদ্যালয়ত আজি নেতাজীৰ জন্মবাৰ্ষিকী উপলক্ষে ছাত্ৰ-ছাত্ৰীৰ মাজত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। অসম চৰকাৰৰ ভাষিক সংখ্যালঘু উন্নয়ন পৰিষদৰ সহযোগত জাগীৰোডতো বিস্তৃত কাৰ্যসূচীৰে পৰাক্ৰম দিৱস পালন কৰা হয়। গোৱালপাৰা জিলা বিভিন্ন অঞ্চলতো আজি নেতাজীৰ জন্মবাৰ্ষিকী বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হয়।

সদৌ অসম নেতাজী সুভাষ চন্দ্ৰ বসু জয়ন্তী উদযাপন সমিতিয়ে আজি পল্টনবজাৰৰ নেতাজী চ'কত নেতাজীৰ জন্মবাৰ্ষিকী উদযাপন কৰিছে। ধুবুৰী জিলাৰ বিভিন্ন অনুষ্ঠান আৰু দল-সংগঠনেও নেতাজীৰ জন্মবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি বৰ্ণাঢ্য কাৰ্যসূচী অনুষ্ঠিত কৰে।

কাৰ্বি আংলং জিলাতো আজি পৰাক্ৰম দিৱস উদযাপন কৰা হয়। কাৰ্বি আংলং জিলা বাংলা সাহিত্য, কলা আৰু সংস্কৃতি পৰিষদৰ উদ্যোগত ডিফুস্থিত নেতাজী উদ্যানত থকা নেতাজীৰ প্ৰতিমূৰ্তিত পুষ্পমাল্য অৰ্পণ কৰি শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়।

০০০০০০

কোকৰাঝাৰ নগৰৰ প্ৰগতি ভৱনত আজি ৰাজ্যৰ প্ৰাক্তন মন্ত্ৰী ৰূপনাথ ব্ৰহ্মৰ ৫৮ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। ৰূপনাথ ব্ৰহ্ম স্মাৰক সমিতি আৰু কোকৰাঝাৰ বুনিয়াদী বড়ো সাহিত্য সভাৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত প্ৰয়াত ব্ৰহ্মৰ প্ৰতিমূৰ্তিত পুষ্পাৰ্ঘ্য তৰ্পন কৰাৰ লগতে এটা স্মাৰক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানত বড়ো জনগোষ্ঠীয় সংগঠনৰ ভালেসংখ্যক প্ৰতিনিধি আৰু স্থানীয় লোকসকলে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে ১৯০২ চনৰ ১৫ জুনত কোকৰাঝাৰত জন্মগ্ৰহণ কৰা প্ৰয়াত ব্ৰহ্ম বড়ো জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা ৰাজ্যখনৰ প্ৰথমগৰাকী মন্ত্ৰী আছিল। তেওঁ লোকপ্ৰিয় গোপীনাথ

বৰদলৈৰ নেতৃত্বাধীন মন্ত্ৰীসভাত ১৯৩৮ চনত বন আৰু পঞ্জীয়ন মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৬৭ চনত তেওঁ কোকৰাঝাৰৰ পৰা লোকসভালৈ নিৰ্বাচিত হৈছিল। ১৯৬৮ চনৰ আজিৰ দিনটোত দেহাৱসান ঘটা ব্ৰহ্মাই সামাজিক, সাংস্কৃতিক তথা সাহিত্য ক্ষেত্ৰলৈ অনবদ্য বৰঙণি আগবঢ়াই গৈছে।

০০০০০০০

চৰাইদেউ জিলাৰ দিচাংপানীত পাঁচদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত সোণাৰু কাঞ্চন কৃষ্ণচূড়া মহোৎসৱৰ কালি সামৰণি পৰে। কালি অন্তিম দিনাৰ কাৰ্যসূচীত বিশিষ্ট সংগীত শিল্পী, গীতিকাৰ ইবচন লাল বৰুৱাক সোণাৰু কাঞ্চন কৃষ্ণচূড়াৰ চিৰসেউজ বঁটা প্ৰদান কৰা হয়। সামৰণি অনুষ্ঠানত বলিউডৰ প্ৰখ্যাত কণ্ঠশিল্পী বিনোদ ৰাথোড় আৰু চান্দনী মুখাৰ্জীয়ে গীত পৰিৱেশন কৰে। যোৱা ১৮ জানুৱাৰীৰ পৰা অনুষ্ঠিত এই মহোৎসৱত ৰাজ্যখনৰ কমেও ৫০ গৰাকী প্ৰতিষ্ঠিত শিল্পীয়ে সংগীত পৰিৱেশন কৰে। উল্লেখযোগ্য যে প্ৰকৃতিপ্ৰেমী যুৱক অনুপ পাটকাইৰ নেতৃত্বত, শিল্পী সমাজ, সাংবাদিক তথা চৰাইদেউৰ একাংশ পৰিৱেশ সচেতন নাগৰিকৰ উদ্যোগত ২০১৯ চনৰ পৰা সোণাৰু, কাঞ্চন আৰু কৃষ্ণচূড়াৰ পুলি ৰোপণ আৰু প্ৰতিপালন কৰি থকা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত প্ৰতিবছৰে এই অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো গণৰাজ্য দিৱসৰ প্ৰস্তুতি অব্যাহত আছে। ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ সময়ছোৱাত আলফা (স্বাধীন)কে ধৰি যাতে কোনো উগ্ৰপন্থী সংগঠনে ৰাজ্যখনত কূটাঘাতমূলক ঘটনা সংঘটিত কৰিব নোৱাৰে তাৰ বাবে ৰাজ্যৰ আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটীৰ খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পতাকা উত্তোলন কৰিব। ইয়াৰ বাবে ইতিমধ্যে খানাপাৰা খেলপথাৰত তিনিতৰপীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। সমগ্ৰ খেলপথাৰখন সামৰি ল'ব পৰাকৈ চিচিটিভি কেমেৰা স্থাপন কৰা হৈছে। খানাপাৰাৰ গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অৰ্ধ সামৰিক বাহিনী, আৰক্ষী, এন চি চি, স্কাউট গাইডসহ মুঠ ২৩টা দলে পেৰেডত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইবাৰ ডিব্ৰুগড়ত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

মৰিগাঁও জিলাৰ সম-জিলা জাগীৰোডত পোনপ্ৰথমবাৰৰ বাবে এইবেলি চৰকাৰীভাৱে গণৰাজ্য দিৱস পালন কৰা হ'ব। জাগীৰোড ক্ৰীড়া সন্থাৰ ষ্টেডিয়ামত গণৰাজ্য দিৱস উদযাপন কৰা হ'ব। এই উপলক্ষে জাগীৰোড সম-জিলা প্ৰশাসনৰ উদ্যোগত জাগীৰোড স্কুল খেলপথাৰত আৰক্ষী আৰু ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কুচ-কাৱাজৰ আখৰা চলি আছে। জাগীৰোডত গণৰাজ্য দিৱস উদযাপনৰ প্ৰস্তুতিৰ বিষয়ে জাগীৰোড সম-জিলা আয়ুক্ত বিমান দাসে এইদৰে কয়-

**ৰাইট (বিমান দাস)**

সমাগত গণৰাজ্য উদযাপনৰ বাবে কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত উত্তৰ গুৱাহাটী মহাবিদ্যালয় খেলপথাৰত কেইবাখনো বিদ্যালয়ৰ শিক্ষাৰ্থী, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ জোৱানে অনুশীলন চলাই আছে। গোৱালপাৰা জিলা প্ৰশাসনে গোৱালপাৰা চহৰৰ জে টি এছ খেলপথাৰত কেন্দ্ৰীয়ভাৱে গণৰাজ্য দিৱস পালন কৰিব।

শ্ৰীভূমি জিলাতো গণৰাজ্য দিৱস উদযাপনৰ প্ৰস্তুতি অব্যাহত আছে। এই উপলক্ষে কালি শ্ৰীভূমি চহৰৰ চৰকাৰী উচ্চতৰ মাধ্যমিক খেলপথাৰত পেৰেডৰ অনুশীলন কৰা হয়।

০০০০০০০

সমাগত গণৰাজ্য দিৱসৰ নতুন দিল্লীত আয়োজিত কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে বৰপেটাৰ কল্যাণজিৎ দাস নামৰ ব্যক্তিগৰাকীয়ে আমন্ত্ৰণ লাভ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ আঁচনিৰ সুবিধা গ্ৰহণ কৰি নিজৰ বাসগৃহত সৌৰ শক্তিৰ দ্বাৰা বিদ্যুৎ উৎপাদনত সফলতা লাভ কৰাৰ বাবে শ্ৰীদাসক দিৱসৰ কাৰ্যসূচীত অংশ ল'বলৈ আমন্ত্ৰণ কৰা হৈছে। এই আঁচনিখনৰ বাবে তেওঁৰ বিদ্যুৎ মাচুল হ্ৰাস পাইছে বুলি উল্লেখ কৰি শ্ৰীদাসে প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰি এইদৰে কয়।

**ঃবাইটঃ**

০০০০০০

গুৱাহাটীৰ চানমাৰিত অনুষ্ঠিত চতুৰ্দশ পূব হিমালয়ান বাণিজ্য মেলাত আজি ভাৰতীয় আয়কৰ বিভাগৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰধান মুখ্য আয়ুক্ত নৰ ৰতন ছোনীয়ে এটা কৰদাতা কক্ষ উদ্বোধন কৰে। এই কৰদাতা কক্ষত জনসাধাৰণৰ আয়কৰ সম্পৰ্কীয় বিভিন্ন ওজৰ-আপত্তিৰ তাৎক্ষণিক সমাধান দিয়াৰ ব্যৱস্থা কৰা হৈছে। কৰদাতা কক্ষটো উদ্বোধন কৰি শ্ৰীছোনীয়ে কৰদাতাসকলক ৰাষ্ট্ৰ নিৰ্মাতা বুলি অভিহিত কৰে। পূৰ্বে কৰ বিভাগে কৰ আদায়ৰ বাবে বলৱৎকাৰী সংস্থা হিচাপে কাম কৰি আছিল যদিও বৰ্তমান ই জনসাধাৰণৰ বাবে সুবিধা প্ৰদানকাৰী সংস্থা হিচাপে কাম কৰি আছে বুলিও শ্ৰীছোনীয়ে কয়। উল্লেখযোগ্য যে অহা ২৯ জানুৱাৰীত এই পূব হিমালয়ান বাণিজ্য মেলাৰ সামৰণি পৰিব।

০০০০০০

ৰাজ্য চৰকাৰৰ পৰ্যটন বিভাগ আৰু ধুবুৰী জিলা প্ৰশাসনৰ উদ্যোগত অহা ২৯ জানুৱাৰীৰ পৰা ৩১ জানুৱাৰীলৈ কোচবিহাৰৰ মধুপুৰ সত্ৰত মধুপুৰ উৎসৱ আৰু নিৰ্মালী প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হ'ব। এই উপলক্ষে প্ৰাৰম্ভিক ব্যৱস্থাপনা আৰু মধুপুৰ সত্ৰ তথা বৈকুণ্ঠপুৰ সত্ৰৰ সামগ্ৰিক পৰিৱেশৰ বুজ ল'বলৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন তথা পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস কালি কোচবিহাৰত উপস্থিত হয়।

০০০০০০০

**সমাপ্ত**